**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নতুন দিল্লীত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৰে দ্বিপাক্ষিক আলোচনা।

২। ৰাজ্যজুৰি দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি। গুৱাহাটী মহানগৰৰ পথ মেৰামতি, যান-জঁট, পূজাৰ প্ৰস্তুতি সন্দৰ্ভত বিভিন্ন বিভাগৰ বিষয়াৰে মুখ্য সচিবৰ পৰ্যালোচনা বৈঠক।

৩। ৰাজ্য চৰকাৰৰ কৃষি যান্ত্ৰিকীকৰণ উপ অভিযানৰ অধীনত আজি ২৫০টা কৃষক গোটৰ লগতে ২ হাজাৰ ৪৯০ গৰাকী কৃষকক ট্ৰেক্টৰ, পাৱাৰ টিলাৰ বিতৰণ।

৪। পথ সুৰক্ষা জীৱন ৰক্ষা শ্লʼগানেৰে ৰাজ্যত পৰিবহণ বিভাগৰ পথ সুৰক্ষা সপ্তাহ আৰম্ভ। **আৰু**

৫। গোৱালিয়ৰত কালি নিশা অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ৭ উইকেটত বাংলাদেশৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত মালদ্বীপৰ ৰাষ্ট্ৰপতি ডʼ মহম্মদ মুইজ্জুৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনাত মিলিত হʼব। আলোচনাৰ অন্ততঃ দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। এই বৈঠকৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত মালদ্বীপৰ ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হʼব। ডʼ মুইজ্জুৰে ৰাজঘাটত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ আগ্ৰা আৰু মুম্বাই ভ্ৰমণ কৰাৰ লগতে বুধবাৰে বেংগালুৰুলৈ যাব। উল্লেখযোগ্য যে, ডʼ মুইজ্জু কালি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত এয়া হৈছে তেওঁৰ প্ৰথমটো দ্বিপাক্ষিক ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে তেওঁ চলিত বৰ্ষৰ জুন মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত আছিল।

০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। কালি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। কালি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হয়। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়।

আনহাতে, ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিকূল বতৰকো নেওচি পূজাৰ প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ পূজা মণ্ডপসমূহ সজাই তোলাৰ বাবে আয়োজকসকল ব্যস্ত হৈ পৰিছে। মহানগৰীত স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতা সন্দৰ্ভত আজি পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই উজান বজাৰত থকা গুৱাহাটী পৌৰ নিগমৰ

কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰিব। ধুবুৰী জিলাৰ পূজাৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয়—

*(ভইচ কাষ্ট)*

ইপিনে, ৰাজ্য চৰকাৰে দ্বিতীয়বাৰলৈ বিভিন্ন জিলাৰ পুৰণি দুৰ্গা পূজা সমিতিসমূহক আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি প্ৰতিখন জিলাত আয়ুক্তসকলে প্ৰস্তুত কৰা তালিকাৰ ভিত্তিত বেংক একাউণ্টৰ জৰিয়তে এই ধনৰাশি মোকলাই দিয়া হ'ব।

ইফালে, ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলক ২০ শতাংশ পূজাৰ বনাচ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ ১০ লাখৰো অধিক শ্ৰমিক-কৰ্মচাৰী উপকৃত হ'ব। এই বনাচ আদায়ৰ বাবে ৰাজ্য চৰকাৰে ৭৮ কোটিৰো অধিক টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই মহানগৰৰ পথ মেৰামতি, যানযঁট ব্যৱস্থাপনা, পৰিচ্ছন্নতা আৰু পূজাৰ প্ৰস্তুতি সন্দৰ্ভত কালি গুৱাহাটীৰ আৰক্ষী আয়ুক্ত, গড়কাপ্তানি বিভাগৰ বিশেষ আয়ুক্ত, কামৰূপ মেট্ৰ'ৰ উপায়ুক্ত তথা গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তকে ধৰি অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত সচিবগৰাকীয়ে কয় যে, বৈঠকত গড়কাপ্তানি বিভাগক বৰ্তমান নিৰ্মাণৰত অৱস্থাত থকা গুৱাহাটী ক্লাবৰ পৰা নুনমাটি, চাইকেল ফেক্টৰী জংছন আৰু ডাউনটাউন হাস্পতাল অঞ্চলৰ এলিভেটেড ক'ৰিড'ৰ ধূলিমুক্ত কৰাৰ লগতে যানযঁট ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা তথা প্ৰয়োজন সাপেক্ষে পথসমূহ বহল কৰিবলৈ নিৰ্দেশ দিয়া হয়। আনহাতে সমাগত উৎসৱৰ বতৰৰ প্ৰতি লক্ষ্য ৰাখি স্মাৰ্ট ছিটি নিগমে জি এছ ৰোডত ১০০ টা চি চি টিভি কেমেৰা স্থাপন কৰাৰ কথাও তেওঁ জানিবলৈ দিয়ে। বৈঠকত গুৱাহাটী জলবোৰ্ড আৰু গুৱাহাটী পৌৰ নিগমে নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়োৱাৰ লগতে পথ মেৰামতিৰ বাবে অতিৰিক্ত শ্ৰমিক নিয়োগ তথা পূজা পেণ্ডেল আৰু ঘাটসমূহত পৰিচ্ছন্নতা সুনিশ্চিত কৰাৰ কথা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে আজি কৃষি যন্ত্ৰপাতি আৰু ভূমি স্বাস্থ্য-পত্ৰ বিতৰণৰ লগতে কৃষি জ্ঞান কেন্দ্ৰ মুকলি অনুষ্ঠানৰ আয়োজন কৰিছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। এই অনুষ্ঠানত কৃষি যান্ত্ৰিকীকৰণৰ উপ অভিযানৰ অধীনত ২৫০টা কৃষক গোটৰ লগতে দুহেজাৰ ৪৯০ গৰাকী কৃষকলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, কঠীয়া ৰোপণ যন্ত্ৰকে ধৰি বিভিন্ন যন্ত্ৰপাতি বিতৰণৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত কৃষকৰ মাজত চাৰি লাখতকৈও অধিক সংখ্যক ভূমি স্বাস্থ্য-পত্ৰ বিতৰণ কৰাৰ লগতে ২১ টা কৃষি জ্ঞান কেন্দ্ৰও মুকলি কৰা হ'ব।

০০০০০০

**পথ সুৰক্ষা জীৱন ৰক্ষা** শ্ল'গানেৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগে আজিৰ পৰা ১৩ অক্টোবৰলৈ ৰাজ্যিক পথ সুৰক্ষা সপ্তাহ পালন কৰিছে। দুৰ্ঘটনা ৰোধ কৰাৰ বাবে যান-বাহন আইন মানি চলিবলৈ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই সকলোৰে প্ৰতি আহ্বান জনাইছে। সকলো চালকক বাহনৰ গতিৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে যান-বাহন আইন মানি চলা, সুৰক্ষাৰ বাবে ছিটবেল্ট তথা হেলমেট পৰিধান কৰা আৰু সুৰাপান কৰি গাড়ী নচলাবলৈ পৰিবহণ বিভাগে আহ্বান জনাইছে। ৰাজ্যিক পথ সুৰক্ষা সপ্তাহৰ সজাগতা সন্দৰ্ভত শোণিতপুৰৰ জিলা পৰিবহণ বিষয়া কৃষ্ণকান্ত চেতিয়াই এইদৰে কয়-

-ভইচ কাষ্ট-

০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি পুনৰ নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছিল। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পাব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকে প্ৰমাণ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে ভূমি ৰাজহ আদায় ব্যৱস্থা সৰলীকৰণ কৰাৰ বাবে ই-খাজনা ব্যৱস্থা আৰম্ভ কৰিছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ইয়াৰ বাবে কিউ আৰ কোড মুকলি কৰিছে। basundhara.assam.gov.in/ekhazana-ৰ জৰিয়তেও এতিয়াৰে পৰা যিকোনো লোকে যিকোনো স্থানৰ পৰা ভূমি ৰাজহ আদায় দিব পাৰিব। পট্টাদাৰসকলে মোবাইল ফোনৰ জৰিয়তে কিউ আৰ কোড স্কেন কৰিও ভূমি ৰাজহ আদায় দিব পাৰিব।

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতৰ পৰীক্ষাৰ বাবে অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি প্ৰাৰ্থীসকলে ৮ অক্টোবৰৰ পৰা ২২ অক্টোবৰ পৰ্যন্ত তেওঁলোকৰ অ' এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনচাৰ কী ৯ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰা উপলব্ধ হ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰিলে ৯ অক্টোবৰৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত আবেদন জনাব পাৰিব।

০০০০০০

হাৰিয়ানা আৰু জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ ভোটগণনা কৰা হ'ব। জম্মু-কাশ্মীৰত এই উপলক্ষে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ বিধানসভা নিৰ্বাচনৰ ৯০ খন আসনৰ বাবে কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ উপলক্ষে জিলা সদৰসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে।

ইপিনে হাৰিয়ানাৰ ৯০টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে ৯০টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালে কয় যে, ২২ খন জিলাৰ সদৰত এই কেন্দ্ৰসমূহ স্থাপন কৰা হৈছে। ষ্ট্ৰং ৰুমসমূহৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে হাৰিয়ানা আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনী মোতায়েন কৰা হৈছে। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত ই ভি এম তথা ভি ভি পেটসমূহ ষ্ট্ৰং ৰুমত ৰাখি কোঠাসমূহ ছীল কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰিছে।

০০০০০০

গোলাঘাটৰ ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নামবৰ হাবিত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। এখন ট্ৰাক আৰু এখন হোণ্ডাই ভেনু গাড়ীৰ মুখামুখি খুন্দাৰ ফলত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক হৰমিত সিঙৰ মৃত্যু হয়। আনহাতে দুৰ্ঘটনাটোত অধিবক্তা ৰক্তপ্ৰবাল গগৈ গুৰুতৰভাৱে আহত হয়।

০০০০০০

গোৱালিয়ৰত কালি নিশা অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। ১২৮ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১১ অভাৰ ৫টা বলত খেলখনত জয় লাভ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছন আৰু সূৰ্য কুমাৰ যাদৱে ২৯ ৰানকৈ সংগ্ৰহ কৰাৰ বিপৰীতে হাৰ্দিক পাণ্ডিয়াই ১৬টা বলত ৩৯ ৰান সংগ্ৰহ কৰি অপৰাজিত হৈ থাকে। বাংলাদেশৰ হৈ মুস্তাফিজুৰ ৰহমান আৰু মেহিদী হাছান মিৰাজে এটাকৈ উইকেট সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে বেট ধৰি বাংলাদেশে আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। মেহিদী হাছান মিৰাজে বাংলাদেশৰ হৈ সৰ্বাধিক ৩৫ ৰান সংগ্ৰহ কৰে। ভাৰতৰ অৰ্শদীপ সিং আৰু বৰুন চক্ৰৱৰ্তীয়ে তিনিটাকৈ উইকেট সংগ্ৰহ কৰে। অৰ্শদীপ সিঙক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। শৃংখলাটোৰ দ্বিতীয়খন খেল অহা বুধবাৰে নতুন দিল্লীৰ অৰুণ জেটলী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০

ৰাজ্যৰ এক লাখ ৫৯ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ অধীনত আৰ্থিক অনুদান আগবঢ়োৱা হ'ব। বাল্য বিবাহ ৰোধ, উচ্চ শিক্ষাত কন্যা শিক্ষাৰ্থীৰ নাম ভৰ্তি বৃদ্ধি, কন্যা সন্তানক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ পৰা আৰ্থিক বোজা লাঘৱ কৰা আদি উদ্দেশ্যেৰে ৰাজ্য চৰকাৰৰ অভিলাসী আঁচনিখনৰ প্ৰথম আৰ্থিক অনুদান প্ৰদান কৰা হয়। এই বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে এক লাখ ৫৯ হাজাৰ ছাত্ৰীলৈ আৰ্থিক অনুদান চৰকাৰৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম**, **দৈনিক জনমভূমি**, কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অসম** কাকতে এই বাতৰিক নাৰী শিক্ষা সাৰ্বজনীন নোহোৱা পৰ্যন্ত সমাজ এখন আগবাঢ়িব নোৱাৰে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে শাৰদীয় দুৰ্গা পূজাৰ প্ৰস্তুতি সম্পৰ্কীয় এটা বাতৰি দেৱী বন্দনাৰে মুখৰ হ'ব চৌদিশ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অগ্ৰদূত** কাকতে পৰম্পৰাক অটুত ৰাখি মন্দিৰ দেৱালয়সমূহতো দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সবাতোকৈ কম ঋণ লোৱা ৰাজ্য অসম বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্য সন্দৰ্ভত এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আগষ্ট মাহত অসমে ১০ কোটিৰো অধিক চাহ উৎপাদন কৰিছে। এই বাতৰিটো **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বাংলাদেশৰ দুৰ্গা পূজাত নিৰাপত্তা দিব সেনাই, ডিব্ৰুগড়ত খহনীয়াৰ ফলত ব্ৰহ্মপুত্ৰত জাহ গ'ল ১০টাকৈ পৰিয়ালৰ ঘৰ, ৮ৰ পৰা ২২ অক্টোবৰলৈ ডাউনলোড কৰিব পাৰিব তৃতীয়বৰ্গৰ নিযুক্তি পৰীক্ষাৰ অ' এম আৰ শ্বীট ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত